এহি বুলি কান্দে কালি গুনক বর্ন্নায়া।।৮০
সমস্ত সৰিৰ বাচা নিৰিক্ষিয়া চাইলো।
তিলমাত্র দোস তোৰ গাৱত নাপাইলো।।
তথাপিতো আচৰিবে লাগে আজ্ঞা বানি।
কিমতে এৰাইবো আমি পৰাধিন প্রানি।।৮১
সুকবি নাৰায়নদেৱৰ সোড়স পাঞ্চালি।
কালিৰ ক্রন্দন বুলি একই লেচাৰি।।

ৰাগ।। শ্রীবসন্ত।। পয়াৰ।।

১২. দিহা ঃ অ কালি হউ সাৱধান
জে নাম স্মৰনে হোৱে পাপ বিমোচন।।

পদ ঃ এতসব কথা কালি মনত ভাবিয়া।
লখাইৰ নিকতে নাগ গৈলেক চলিয়া।।
দৈবৰ নিবন্ধ কর্ম্ম নাজাই খণ্ডন।
কালিৰ মস্তকে পৰে লখাইৰ চৰন।।৮২
সাখি কৰে কালি নাগে জত দেৱগন।
কালিৰ ক্রোধ আপুনাৰ দোসে লখাই জাই জমস্থান।।
ব্রহ্মা বিষ্ণু সাখি কৰে জত দেৱ ইতি।
চন্দ্র সূর্য্য সাখি কৰে দেৱ পসুপতি।।৮৩
দিস বিদিস সাখি হৈবা বসুমতি।
অগ্নি পানি সাখি কৰে আৰ দিবা ৰাতৃ।।
সপ্ত দ্বিপা সাখি হৈবা সপত সমুদ্র।
সোড়শ মাতৃ সাখি হৈবা একাদস ৰুদ্র।।৮৪
জম সনি সাখি কৰে জত পসুগন।
অষ্টপাল সাখি কৰে বায়ু জে চাৰন।।
সপ্ত স্বর্গ সাখি হৈবা সপত পাতাল।
সপ্ত ঋষি সাখি হৈবা কাল জে বিকাল।।৮৫
চৰাচৰ সাখি কৰে জত জিৱগন।
সত্য ধর্ম্ম সাখি কৰে গুৰু জ্ঞাতিগন।।
কষ্ট মন কৰি কালি কোন কর্ম্ম কৈলা।
প্রদিপৰ তৈল আনি আঙ্গুলে মাঞ্জিলা।।৮৬
কালিনাগৰদ্বাৰা লখাইক দংশন সাবধানে দিলা লখাইৰ আঙ্গুলি উপৰ।
অলক্ষিতে কালি নাগে মাৰিলা ঠোকৰ।।
ৰাম ৰাম বুলি লখাই চাৰিলেক ডাক।
উঠা প্রানেস্বৰি বুলি মাতে বেফুলাক।।৮৭

বাহিৰ হৈতে চাহে কালি মেৰৰ ভিতৰ।
হাতৰ কতাৰি পৰিলেক লেঞ্জৰ উপৰ।।
লেঞ্জ কাটা গৈল কালি পলাইলেক ডৰে।
বেফুলা বেফুলা বুলি ডাকে লখিন্দৰে।। ৮৮
সুকবি নাৰায়নদেৱৰ সৰস পাঞ্চালি।
লখাইৰ কৰুনা বুলি একয় লাছাৰি।।

১৩.৩.১ সাধাৰণ আলোচনা

নাৰায়ণদেৱৰ *পদ্মা-পুৰাণ*ৰ ভাটীয়ালী খণ্ডৰ বিষয়বস্তু বহু বিস্তৃত। এই খণ্ডটো লখিন্দৰক বধ কৰিবলৈ উপায় বিচাৰি নাপাই পদ্মাৱতীয়ে নেতাৰ গলত ধৰি কন্দাৰ পৰা আৰম্ভ কৰি, লখিন্দৰক দংশন, বেউলাৰ অনির্দিষ্ট যাত্রা আৰু পদ্মাৱতীয়ে তেওঁক জীয়াই তোলা তথা চন্দ্রধৰে মনসাক আনুষ্ঠানিকভাৱে পূজা দিয়া এই সকলোখিনিক সামৰা হৈছে। সেয়ে গোটেইখিনি আপোনাক অধ্যয়ন কৰিবলৈ দিয়া হোৱা নাই। ইয়াৰে নির্বাচিত কিছু অংশ — "লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্রাৰ পৰা কালিনাগৰ দ্বাৰা লখাইক দংশন" অংশটো আপুনি বিশেষভাৱে অধ্যয়ন কৰিব লাগিব। এই অংশটোতো অন্তর্ভুক্ত হৈ আছে — লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্রা, বেউলা আৰু লখাইৰ কথোপকথন, বেউলাৰ দ্বাৰা কাম বিহুল লখাইক প্রবোধ প্রদান, বেউলাৰ দ্বাৰা লখাইক পূর্বকথা স্মৰণ, লখাইৰ শয়ন আৰু কালিনাগৰদ্বাৰা নিদ্রাৱলীক আহ্বান, কালিনাগৰ কাৰুণ্য, কালিৰ ক্রোধ আৰু কালিনাগৰ দ্বাৰা লখাইক দংশন। এই অংশটোত সর্বমুঠ 45 টা পদ আছে। এই পদসমূহ কৈবালু, তুড়বসন্ত, বৈনেতা, বসন্ত, কৰুনা ভাঠিয়ালী, শ্রীবসন্ত ৰাগ আৰু লেচাৰি তথা পয়াৰ ছন্দত ৰচিত।

'লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্রা' অংশটো কৈবলু ৰাগৰ আৰু ইয়াত 5 টা পদ আছে। এই পাঁচটা পদত কেনেদৰে কালিনাগে লখাইক দংশন কৰিবলৈ যাত্রা আৰম্ভ কৰিলে সেই বিষয়ে বহলাই বর্ণনা কৰিছে। কালিনাগে কেনেদৰে লখিন্দৰ থকা লোৰে সজা, পৰুৱাও সোমাব নোৱৰা মেৰঘৰটোত প্রৱেশ কৰিম বুলি পদ্মাক প্রশ্ন কৰিছে আৰু পদ্মাই তাৰ উত্তৰত কৈছে যে বিশ্বকর্মাই তেওঁৰ কথামতেই সেই ঘৰটোত প্রৱেশ কৰিবলৈ ঈষাণ কোণত কাযতে এটি চিদ্র ৰাখি থৈ গৈছে। সেইকোণটোৰ নাম 'সিন্দুৰেৰ ৰেখা'। এই কথা শুনি কালিনাগে পদ্মাক স্তুতি কৰি চম্পক নগৰলৈ যাত্রা কৰে আৰু মেৰঘৰৰ ওপৰত অৱস্থান কৰে।

সেই সময়ত মেৰঘৰৰ ভিতৰত লখিন্দৰ-বেউলাই কথা পাতি আছিল। এই অংশটোৰ নাম 'বউলা আৰু লখাইৰ কথোপকথন'। ইয়াত লেচাৰি ৰাগ আৰু পয়াৰ ছন্দত লিখা 5 টা পদৰে লখিন্দৰ-বেউলাই কি কথা পাতি আছিল তাৰে বর্ণনা দিয়া হৈছে। লখিন্দাৰে ভোক লগাৰ বাবে আহাৰ খাব বিচাৰিছিল আৰু চাউল সিজোৱা নাই

বাবে বেউলাই কুঁহিয়াৰ-নাৰিকল-কল আদি লখিন্দৰক ভোজন কৰিবলৈ দিয়ে। ভোজন কৰি লখিন্দৰে পালেঙত শয়ন কৰে। সেই সময়ত তেওঁ কাম বিহ্বল হৈ পৰে আৰু বেউলাক আলিঙ্গন কৰিবলৈ বিচাৰে। এই কথা শুনি বেউলাৰ চিন্তা হয় আৰু লখিন্দৰৰ চৰণ চুই ক'বলৈ ধৰে। এই অংশটোৰ নাম 'বেউলাৰ দ্বাৰা কাম বিহ্বল লখাইক প্ৰবোধ প্ৰদান'। ইয়াত বৈনেতা ৰাগ আৰু পয়াৰ ছন্দত লিখা 7 টা পদত কাম-বিহ্বল লখিন্দৰক প্ৰবোধ প্ৰদান কৰিছে বেউলাই। বিবিধ আলংকাৰিক ভাষাৰে লিখা এই পদসমূহত বেউলা যে এতিয়াও সৰু হৈ আছে আৰু কাম-কেলিৰ বাবে যে প্ৰস্তুত হৈ উঠা নাই সেই কথা ব্যক্ত কৰিছে। ইয়াত প্ৰয়োগ কৰা বিভিন্ন অলংকাৰসমূহ লোকজীৱনৰ পৰা তুলি অনা। উদাহৰণস্বৰূপে —

(ক) অবাইচা গৰুক জিতো জুৰি বাৰে হাল।
নষ্ট কৰে নাঙ্গল তাৰ নষ্ট কৰে ফাল।।
একে আমি সিসুমতি আৰু অকুমাৰি।
চিত্তে খেমা কৰি থাকা দিন দুই চাৰি।।

(খ) দধি হেন বস্তু প্ৰভু খাইতে লাগে মিথা।
নিতে নিতে খাইলে পাচে সিও হৰে তিতা।।
জদি সুপুৰুস হৰে উত্তম আচাৰ।
বিলম্বে পাইবা প্ৰভু চিত্ত খেমা কৰ।।

কিন্তু তেতিয়াও লখিন্দৰে বাৰে বাৰে বেউলাৰ আলিঙ্গন বিচৰাত বেউলাই পূৰ্বজনমৰ কথা স্মৰণ কৰাই। 'বেউলাৰ দ্বাৰা লখাইক পূৰ্বকথা স্মৰণ' শীৰ্ষক এই অংশটো বসন্ত ৰাগ আৰু পায়ৰ ছন্দত ৰচিত 5 টা পদত লিখা হৈছে। ইয়াত লখিন্দৰ যে পূৰ্বজনমত ইন্দ্রপুৰৰ কুমাৰ হিচাপে আছিল আৰু বেউলা বান ৰজাৰ কুমাৰী আছিল সেই কথা ব্যক্ত কৰা হৈছে। দুয়োজনকে বিষহৰি পদ্মাই হৰণ কৰি আনিছিল। চান্দো সদাগৰে যদি পদ্মাক পূজা কৰে তেন্তে দুয়ো পুনৰ ইন্দ্রনগৰলৈ উভতি যাব পাৰিব বুলিও বেউলাই কয়। তাই শুনি আছে যে সেই ৰাতি কালিনাগে লখিন্দৰক দংশন কৰিব আৰু তেনে হ'লে তাই অন্ন-পানী এৰি তেওঁৰ ভেলা লৈ পানীত উটি যাব। মৰণৰ কথা শুনি লখিন্দৰে নিশ্বাস ফোকাৰি শয়ন কৰে। বেউলাও লখিন্দৰৰ কাষতে শয়ন কৰে। সেই দৃশ্য দেখি মেৰৰ ওপৰত থকা কালিনাগে হাঁহিবলৈ ধৰিলে।

8 টা পদেৰে লিখা 'লখাইৰ শয়ন আৰু কালিনাগৰদ্বাৰা নিদ্রাৱলীক আহ্বান' অংশটো পূৰ্বৱৰ্তী দিহাটোৰে ক্রম হিচাপে উল্লেখ আছে। ইয়াত কালিনাগে নিদ্রাদেৱীক আহ্বান কৰে আৰু নিদ্রাদেৱীয়ে সকলোকে শোৱাই দিয়ে। তেতিয়াই ঈষাণ কোণত থকা 'সিন্দুৰেৰ ৰেখা'ৰে কালিনাগ মেৰঘৰত প্ৰৱেশ কৰে। মেৰঘৰত সোমাই লখিন্দৰ-বেউলাৰ ৰূপ দেখি কালিনাগৰ ভাব হৈছিল— "সচিৰ সমান ৰুপ বেফুলা সুন্দৰী।
কামদেৱ জিনি লখাই ৰুপৰ মুৰালি।।" এনে সুন্দৰ লখিন্দৰক কেনেদৰে দংশন কৰিম

বুলি ভাবি পদ্মাই তাক মাৰে যদিও মাৰিব বুলি কৈ লখাইক দংশন নকৰাৰ কথা ভাবিছিল আৰু কালিনাগৰ মনত কাৰুণ্যৰ সৃষ্টি হৈছিল।

ইয়াৰ পাছতে কবিয়ে 'কৰুনা ভাঠিয়ালী' ৰাগ আৰু পয়াৰ ছন্দত ৰচিত ৪ টা পদত 'কালিনাগৰ কাৰুণ্য' প্ৰকাশ কৰিছে। এই অংশটোত অলংকাৰমণ্ডিত ভাষাৰে কবিয়ে কালিনাগৰ মুখেদি লখিন্দৰৰ ৰূপৰ বৰ্ণনা কৰিছে আৰু কেনেদৰে দংশন কৰিম বুলি দুখ কৰিছে। মন কৰিবলগীয়া যে এই অংশটোতো কবিয়ে কৰুণ ৰসৰ প্ৰকাশ যিমান সুন্দৰভাৱে কৰিছে সেয়া সঁচাকৈয়ে অতুলনীয়। উদাহৰণস্বৰূপে —

স্বামিক কোলে কৰি বেউলা সুতি আচে।
আজি বাৰি হৈবি তই সসুৰৰ দোসে।।
মুণ্ডত দংসিম লখাইৰ ঝুনা নাৰিকল।
কেসত দংসিম লখাইৰ হাৰুৱা চোৰাৰ।।

এই অংশটোৰ শেষত কালিনাগে যে পদ্মাৰ আজ্ঞাবাহী সেই কথা প্ৰকাশ কৰি দেৱী মাহাত্ম্য প্ৰকাশ কৰিছে — "তথাপিতো আচৰিবে লাগে আজ্ঞা বানি। ঊ কিমতে এৰাইবো আমি পৰাধিন প্ৰানি।।"

ইয়াৰ পাছতেই শ্ৰীবসন্ত ৰাগ আৰু পয়াৰ ছন্দত ৰচিত 7 টা পদত 'কালিৰ ক্ৰোধ' আৰু 'কালিনাগৰ দ্বাৰা লখাইক দংশন' অংশটো ৰচনা কৰা হৈছে। ইয়াৰে প্ৰথম 5 টা পদত কিহৰ বাবে কালিনাগে লখাইক দংশন কৰিব পৰাকৈ ক্ৰোধান্বিত হ'ল সেই কথা বৰ্ণনা কৰা হৈছে আৰু শেষৰ দুটা পদত 'কালিনাগৰ দ্বাৰা লখাইক দংশন' কৰাৰ কথা কৈ কি অৱস্থাৰ সৃষ্টি হৈছিল সেয়া ব্যক্ত কৰা হৈছে। প্ৰথম অংশটোত কবিয়ে কৈছে যে কালিয়ে পূৰ্বে উল্লেখ কৰা কথাবোৰ ভাবি ওলাই আহিবলৈ বিচাৰিছিল আৰু সেই সময়তেই কালিনাগৰ শিৰত লখাইয়ে ক'ব নোৱৰাকৈয়ে ভৰিৰে আঘাত কৰে। কালি ক্ৰোধান্বিত হয় আৰু বিশ্ব চৰাচৰৰ সকলোকে সাক্ষী কৰি লখাইৰ ভৰিৰ আঙুলিত দংশন কৰে। তাৰ পাছতে মেৰঘৰৰ পৰা প্ৰস্থান কৰিবলৈ বিচাৰে। দংশন কৰাৰ লগে লগে "ৰাম ৰাম" বুলি চিয়ঁৰি উঠি লখিন্দৰে বেউলাক মাতে। কালিনাগ মেৰঘৰৰ পৰা বাহিৰ হ'বলৈ বিচাৰোতেই তাৰ নেজৰ ওপৰত কটাৰীখন পৰে আৰু নেজদালৰ এটা অংশ কটা যায়। তেনেদৰেই কালিনাগ মেৰঘৰৰ পৰা প্ৰস্থান কৰে আৰু লখিন্দৰে বেউলা বেউলা বুলি মাতিবলৈ ধৰে। এনেদৰেই আমি অধ্যয়ন কৰিবলগীয়া *পদ্মা-পুৰাণ*ৰ অংশটোৰ সমাপ্তি ঘটিছে।

এই পাঠাংশ অধ্যয়ন কৰোঁতে আপুনি নিশ্চয় মন কৰিছে যে প্ৰতিটো দিহাৰ শেষত সুকবি নাৰায়ণদেৱে ভনিতা পেলাইছে। ইতিমধ্যে আমি পূৰ্বৰ অধ্যায়তে অধ্যয়ন কৰি আহিছোঁ যে *পদ্মা-পুৰাণ*ৰ অন্যতম উদ্দেশ্য মনসা দেৱী বা পদ্মাৱতী দেৱীৰ মাহাত্ম্য প্ৰকাশ কৰা। আমি অধ্যয়ন কৰা অংশটোতো কালিনাগে পদ্মাৰ কথামতে কেনেদৰে মেৰঘৰত প্ৰৱেশ কৰিব সেই কথা গম পোৱাৰ লগতে কালিনাগে যে পদ্মাৰ আজ্ঞাবাহী

সেই কথা প্ৰকাশ কৰি পদ্মাৰ মাহাত্ম্য প্ৰকাশ কৰিছে। ইয়াত ব্যৱহাৰ কৰা অলংকাৰসমূহো লোকজীৱনৰ পৰশেৰে সিক্ত। সেই বাবেই হয়তো লোকসমাজত ইয়াৰ জনপ্ৰিয়তা অধিক। ইতিমধ্যে আমি কৈ আহিছোঁ যে সুকবি নাৰায়ণদেৱ কৰুণ ৰস প্ৰকাশত সিদ্ধহস্ত। লখাইক দংশন কৰাৰ আগমূহুৰ্তত কালিনাগৰ মনত সৃষ্টি হোৱা কাৰুণ্য প্ৰকাশৰ কথাখিনিয়েই ইয়াৰ সাৰ্থক উদাহৰণ। চিত্ৰধৰ্মী বৰ্ণনা, জতুৱা-ঠাঁচৰ প্ৰয়োগ, ঘৰুৱা শব্দৰ সমাহাৰ তথা মৌলিক কল্পনাৰে যে কাব্যখন সমৃদ্ধ আমি এই অংশটো অধ্যয়ন কৰিলেই অনুমান কৰিব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কালিনাগে মেৰঘৰত কোনফালেদি প্ৰৱেশ কৰিছিল ?

.....

প্ৰশ্ন নং ২ ঃ পূৰ্বজনমত লখিন্দৰ কোন ৰাজ্যৰ কুমাৰ আছিল বুলি বেউলাই কৈছিল ?

.....



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সুকবি নাৰায়ণদেৱে ৰচনা কৰা *পদ্মা-পুৰাণ*ৰ পৰা আমাক অধ্যয়নৰ বাবে নিৰ্বাচন কৰি দিয়া "লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্ৰাৰ পৰা কালিনাগৰ দ্বাৰা লখাইক দংশন" অংশটোতো অন্তৰ্ভুক্ত হৈ আছে — লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্ৰা, বেউলা আৰু লখাইৰ কথোপকথন, বেউলাৰ দ্বাৰা কাম বিহুল লখাইক প্ৰবোধ প্ৰদান, বেউলাৰ দ্বাৰা লখাইক পূৰ্বকথা স্মৰণ, লখাইৰ শয়ন আৰু কালিনাগৰদ্বাৰা নিদ্ৰাৱলীক আহ্বান, কালিনাগৰ কাৰুণ্য, কালিৰ ক্ৰোধ আৰু কালিনাগৰ দ্বাৰা লখাইক দংশন। এই অংশটোত সৰ্বমুঠ 45 টা পদ আছে। কৈবালু, তুড়বসন্ত, বৈনেতা, বসন্ত, কৰুনা ভাঠিয়ালী, শ্ৰীবসন্ত ৰাগত ৰচিত এই পদসমূহ লেচাৰি আৰু পয়াৰ ছন্দত ৰচিত।
- *পদ্মা-পুৰাণ*ৰ অন্যতম উদ্দেশ্য মনসা দেৱী বা পদ্মাৱতী দেৱীৰ মাহাত্ম্য প্ৰকাশ কৰা। আমি অধ্যয়ন কৰা অংশটোতে কালিনাগে পদ্মাৰ কথামতে কেনেদৰে মেৰঘৰত প্ৰৱেশ কৰিব সেই কথা গম পোৱাৰ লগতে কালিনাগে যে পদ্মাৰ আজ্ঞাবাহী সেই কথা প্ৰকাশ কৰি পদ্মাৰ মাহাত্ম্য প্ৰকাশ কৰিছে। ইয়াত ব্যৱহাৰ কৰা অলংকাৰসমূহো লোকজীৱনৰ পৰশেৰে সিক্ত। চিত্ৰধৰ্মী বৰ্ণনা, জতুৱা-ঠাঁচৰ প্ৰয়োগ, ঘৰুৱা শব্দৰ সমাহাৰ তথা মৌলিক কল্পনাৰে যে কাব্যখন সমৃদ্ধ আমি এই অংশটো অধ্যয়ন কৰিলেই অনুমান কৰিব পাৰোঁ।



১৩.৫ অধিক জানিবলৈ

1) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

2] বৰ্মন, শিৱনাথ (সম্পাঃ) (1997); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

3] মজুমদাৰ, বিমল (2001] Ê, *পুৰাণৰ পৰিচয়*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

4) শৰ্মা, নবীন চন্দ্ৰ (1993); *সুকবি নাৰায়ণদেৱ বিৰচিত পদ্মা-পুৰাণ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

5) শৰ্মা, সত্যেন্দ্ৰনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

6) শৰ্মাদলৈ, হৰিনাথ (১৯৮২) ঃ *শক্তি সাধনা আৰু শক্তি সাহিত্য,* বৰপেটা ঃ হৰিনাথ শৰ্মা দলৈ।



১৩.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কালিনাগে ঈষাণ কোণত থকা 'সিন্দুৰেৰ ৰেখা'ৰ চিদ্ৰৰে মেৰঘৰত প্ৰৱেশ কৰিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃপূৰ্বজনমত লখিন্দৰ ইন্দ্ৰপুৰৰ কুমাৰ আছিল বুলি বেউলাই কৈছিল।



১৩.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক —

(ক) কালিনাগ উৰি আহি প্ৰথমতে মেৰঘৰৰ ক'ত অৱস্থান কৰিছিল?

(খ) কালিনাগ মেৰঘৰত কেনেদৰে প্ৰৱেশ কৰিছিল?

(গ) কালিনাগে দংশন নকৰোঁ বুলি ভবিও কিয় লখাইক দংশন কৰিলে?